# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 13-05-2025

**Time :** 1220 Hrs

***Assamese Midday Bulletin***

----------------------------

কেইবাখনো জিলাত পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনাৰ প্ৰক্ৰিয়া যোৱা নিশা সামৰণি পৰে। ভোটগণনাৰ দ্বিতীয় দিনা বিভিন্ন জিলাত বিজেপি আৰু মিত্ৰদলসমূহে শক্তিশালী অগ্ৰগতি লাভ কৰে। আমাৰ সংবাদদাতাসকলে জনোৱা মতে ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি কেইবাখনো জিলাত বিজেপিয়ে সংখ্যাগৰিষ্ঠতা লাভ কৰিছে।

নগাঁও জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া যোৱা নিশা সামৰণি পৰে। প্ৰাপ্ত ফলাফল অনুসৰি ২৭ খন আসনযুক্ত নগাঁও জিলা পৰিষদত ১১ খন আসন বিজেপিয়ে লাভ কৰে আৰু তিনিখন আসন অসম গণ পৰিষদ দলে লাভ কৰিবলৈ সমৰ্থ হয়। কংগ্ৰেছ দলে ১৩ খন আসনত বিজয় সাব্যস্ত কৰে।

শ্ৰীভূমি জিলাৰ ১৬খন জিলা পৰিষদৰ আসনৰ ভিতৰত ১১ খন আসন বিজেপিয়ে লাভ কৰিবলৈ সমৰ্থ হয়। ইয়াৰে ৫ খন আসনত কংগ্ৰেছে জয়লাভ কৰে।

বৰপেটা জিলাৰ পঞ্চায়ত নিৰ্বাচনৰ ভোটগণনা কালি নিশা সম্পন্ন হয়। জিলাখনৰ ১৯ খন জিলা পৰিষদৰ ৯ খন আসনত কংগ্ৰেছে বিজয় সাব্যস্ত কৰে। বিজেপিয়ে ৫ খন আৰু অসম গণ পৰিষদে ২ খন আসন দখল কৰিবলৈ সামৰ্থ হয়। এ আই ইউ ডি এফে ২ খন আসনত জয়লাভ কৰাৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীয়ে এখন আসনত জয়লাভ কৰে। জিলাখনৰ ১০২ খন আঞ্চলিক পঞ্চায়তৰ ৪৫ খন কংগ্ৰেছ, এ আই ইউ ডি এফে ২৩ খন আৰু মিত্ৰজোঁটে ২১ খন আসনত জয়লাভ কৰে। ইয়াৰে ৰাইজৰ দলে ২ খন আৰু আম আদমী পাৰ্টীয়ে এখন আসনত জয়লাভ কৰাৰ লগতে নিৰ্দলীয় প্ৰাৰ্থীয়ে ১০ খন আসন দখল কৰে।

বঙাইগাঁও জিলাৰ মুঠ ৬৫ খন আঞ্চলিক পঞ্চায়ত আৰু ১২ খন জিলা পৰিষদত বিজেপি আৰু ইয়াৰ মিত্ৰজোঁটে গৰিষ্ঠ সংখ্যক আসন দখল কৰে।

যোৰহাট বিধানসভা সমষ্টিত ১৬ খন জিলা পৰিষদৰ আটাইকেইখনতে বিজেপি মিত্ৰজোঁটে জয়লাভ কৰে। সমষ্টিটোৰ ৮৬ খন আঞ্চলিক পঞ্চায়তৰ ৮৩ খনত বিজেপি প্ৰাৰ্থী বিজয়ী হৈছে।

কামৰূপ জিলাৰ মুঠ ২৪ খন জিলা পৰিষদৰ আসনৰ ২২ খনত বিজেপিয়ে জয়লাভ কৰিছে বুলি আমাৰ সংবাদদাতাই প্ৰকাশ কৰিছে।

oooooo

কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে চলিত বৰ্ষৰ দ্বাদশ শ্ৰেণীৰ পৰীক্ষাৰ ফলাফলসমূহ ঘোষণা কৰিছে। এই বছৰ উত্তীৰ্ণৰ হাৰ হৈছে ৮৮ দশমিক ৩-৯ শতাংশ। এইবাৰৰ পৰীক্ষাত ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৯১ শতাংশ। এয়া ছাত্ৰৰ উত্তীৰ্ণৰ হাৰৰ তুলনাত ৫ দশমিক ৯-৪ শতাংশ অধিক।

oooooo

ভাৰত আৰু পাকিস্তানৰ মাজত সংঘৰ্ষ বিৰতিৰ পাছত পূৰ্বে সাময়িকভাৱে বন্ধ ৰখা ৩২টা বিমানবন্দৰ পুনৰ মুকলি কৰা হৈছে। এটা বিবৃতিত ভাৰতীয় বিমানবন্দৰ প্ৰাধিকাৰীয়ে কালি এই কথা ঘোষণা কৰে। পেহেলগামৰ ঘটনাৰ পাছত চুবুৰীয়া দেশ দুখনৰ মাজত বাঢ়ি অহা উত্তেজনাৰ পৰিপ্ৰেক্ষিতত এই বিমানবন্দৰকেইটা ১৫ মে' পৰ্যন্ত বন্ধ ৰখাৰ কথা ঘোষণা কৰা হৈছিল। বিবৃতিটোত লগতে কোৱা হয় যে যাত্ৰীসকলে বিমান সেৱাৰ বিষয়ে যাৱতীয় তথ্য লাভৰ বাবে এয়াৰলাইন্স ৱেবছাইটৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০০

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান নগাঁও জিলাৰ বটদ্ৰৱাৰ শান্তিজানৰ সতী ৰাধিকা স্মৃতি ক্ষেত্ৰত কালি দিনজোৱা কাৰ্যসূচীৰে সতী ৰাধিকা উৎসৱ পালন কৰা হয়। কেন্দ্ৰীয় সতী ৰাধিকা উৎসৱ উদযাপন সমিতিৰ উদ্যোগত তথা বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সহযোগত আয়োজিত এই উৎসৱৰ অংশ হিচাপে পুৱাৰ ভাগত স্বচ্ছতা অভিযান আৰু গছপুলি ৰোপণ কৰা হয়। ইয়াৰ পাছতে পতাকা উত্তোলন, স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন কৰা হয়। দুপৰীয়াৰ ভাগত সতী ৰাধিকা নামঘৰত নাম-প্ৰসংগ আৰু গায়ন-বায়ন পৰিৱেশনৰ পাছতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। বিয়লিৰ ভাগত অনুষ্ঠিত মুকলি সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° উপেন ৰাভা হাকাচাম, অসম সত্ৰ মহাসভাৰ মুখপাত্ৰ ড° তাৰানাথ মহন্ত প্ৰমুখ্যে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০

অসম চৰকাৰৰ উচ্চ শিক্ষা বিভাগে প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড° বাণীকান্ত কাকতি মেধা বঁটা প্ৰদানৰ বাবে এখন কাৰ্যালয় স্মাৰক প্ৰকাশ কৰিছে। এই স্মাৰক অনুসৰি অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে অনুষ্ঠিত কৰা ২০২৫ বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰীক্ষাত ৮০ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা শিক্ষাৰ্থীসকলক স্কুটি প্ৰদান কৰা হ'ব। বেটাৰমেণ্ট বা পুনৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা শিক্ষাৰ্থীসকল এই বঁটাৰ বাবে বিবেচিত নহয়। যোগ্য ছাত্ৰ-ছাত্ৰীসকলে উচ্চ শিক্ষা সঞ্চালকালয়ে পৰৱৰ্তী সময়ত দিয়া লিংকৰ জৰিয়তে অনলাইন আবেদন কৰিব পাৰিব। ইপিনে, প্ৰজ্ঞান ভাৰতী আঁচনিৰ অধীনত ড° বাণীকান্ত কাকতি মেধা বঁটা লাভ কৰা শিক্ষাৰ্থীসকল নিযুত মইনা আঁচনিৰ বাবে যোগ্য বিবেচিত নহব বুলি কাৰ্যালয় স্মাৰকত উল্লেখ কৰা হৈছে। অৱশ্যে বাণীকান্ত কাকতি মেধা বঁটাৰ বাবে আবেদন নকৰা ছাত্ৰীয়ে নিযুত মইনা আঁচনিৰ বাবে আবেদন কৰিব পাৰিব।

০০০০০০

অসম দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত অসমৰ পৰ্যটন ক্ষেত্ৰৰ উন্নতিৰ কথা প্ৰকাশ কৰিছে। বিগত ২০২৩-২৪ পৰ্যটন বৰ্ষত ৪ লাখৰো অধিক পৰ্যটকে অসমৰ প্ৰকৃতি আৰু আতিথ্য উপভোগ কৰিবলৈ অসম ভ্ৰমণ কৰিছিল। প্ৰতি বছৰে অসমলৈ পৰ্যটনকৰ আগমনৰ হাৰ উৎসাহজনকভাৱে বৃদ্ধি পাইছে বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। ৰাজ্য চৰকাৰে অসমৰ পৰ্যটন দিশটো অধিক আগুৱাই নিবলৈ বহুখিনি প্ৰকল্প গ্ৰহণ কৰিছে বুলিও তেওঁ কয়। লগতে চলিত ২০২৪-২৫ পৰ্যটন বৰ্ষতো অসমৰ পৰ্যটন ক্ষেত্ৰৰ বাবে উল্লেখযোগ্য বৰ্ষ হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে।

০০০০০০

**সমাপ্ত**